অধ্যায় ৪ ঃ গৱেষণা আৰ্হি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ গৱেষণা আৰ্হিৰ অৰ্থ
৪.৪ গৱেষণা আৰ্হিৰ প্ৰয়োজন আৰু ইয়াৰ গুৰুত্ব
৪.৫ এটা আদৰ্শ গৱেষণা আৰ্হিৰ লক্ষণ
৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্ৰগতিৰ খতিয়ান
৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গৱেষণা আৰ্হিৰ অৰ্থ বুজিব পাৰিব
- গৱেষণা আৰ্হিৰ প্ৰয়োজন আৰু গুৰুত্ব আলোচনা কৰিব পাৰিব
- এটা আদৰ্শ গৱেষণা আৰ্হিৰ বৈশিষ্টসমূহ চিনাক্ত কৰিব পাৰিব

৪.২ পৰিচয়

আমি সকলোৱে জানো যে, গৱেষণাই জ্ঞান-অভিজ্ঞতাৰ বাট মুকলি কৰে। যিকোনো প্ৰাকৃতিগত বা সামাজিক ঘটনাৰ বিষয়ে জ্ঞান লাভত এই গৱেষণাই প্ৰভূত্ব সহায় কৰে। সমাজ বিজ্ঞানী সকলেও অহৰহ সামাজিক ঘটনা সমূহৰ বিষয়ে গৱেষণাত ব্যস্ত আছে। কিন্তু, যিকোনো গৱেষণাৰে সঠিক গতিৰ বাবে এক বিশেষ নিৰ্দিষ্ট আৰ্হি বা পৰিকল্পনা থাকে। যদিও আৰ্হিয়ে বিভিন্ন অৰ্থ বহন কৰে, কিন্তু গৱেষণাৰ ক্ষেত্ৰত ই এক পৰিকল্পনাহে সূচায় বা এখন গতিচিত্ৰ বা ৰূপৰেখা (Outline) যিয়ে উদ্দেশ্য, তথ্য সংগ্ৰহৰ পদ্ধতি, বিশ্লেষণ আৰু সম্ভাব্য ফলাফল আদি বহুতো বিষয় বা তথ্য নিৰ্দিষ্ট (Specify) কৰে। গৱেষণা আৰ্হিয়ে কি তথ্যৰ প্ৰয়োজন, এই তথ্য গ্ৰহণত কি পদ্ধতি, বিশ্লেষণত কি পদ্ধতিৰ প্ৰয়োজন হয় আৰু এটা বিশেষ গৱেষণাত এই তথ্যসমূহৰ প্ৰয়োগত কি গৱেষণা প্ৰশ্নৰ সমাধান কৰিব পাৰি তাকেই ব্যক্ত কৰে। সেয়েহে, ই হ'ল এক মৌলিক আৰু অত্যাৱশ্যকীয় কাৰ্য্য যিয়ে গৱেষণাৰ প্ৰাথমিক নিৰ্দেশিকা (Guideline) হিচাবে ক্ৰিয়া কৰে। এই অধ্যায়টিত আমি গৱেষণা আৰ্হি, ইয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব, এখন ভাল গৱেষণা আৰ্হিৰ বৈশিষ্টৰ বিষয়ে জানিব পাৰিম।

৪.৩ গৱেষণা আৰ্হিৰ অৰ্থ

গৱেষণা কাৰ্যৰ কাৰণে গৱেষণা আৰ্হি এক অত্যাৱশ্যকীয় উপাদান। সৰল ভাষাত বা অৰ্থত, গৱেষণা আৰ্হি হ'ল এক সম্প্ৰসাৰিত পৰিকল্পনা বা 'মডেল' আৰু ই সমগ্ৰ গৱেষণা কাৰ্য্য পৰিচালনাত দিক্‌দৰ্শীৰ ভূমিকা পালন কৰে। 'The Oxford Dictionary of Sociology'ৰ মতে ' গৱেষণা আৰ্হিয়ে গৱেষণা কাৰ্য্যসূচীৰ এক কৌশলগত পৰিকল্পনা হিচাবে, কাৰ্য্যসমূহৰ ৰূপৰেখা তৈয়াৰ কৰি মুখ্য বৈশিষ্ট নিৰ্দেশ কৰাৰ লগতে তথ্য পদ্ধতি আৰু বিশ্লেষণৰ বাবে আৰু দেখুৱাই গৱেষণা কৌশলৰ মাধমেৰে তত্ত্বীয় (Theoritical) বা নীতিভিত্তিক (Policy Oriented) যিকোনো গৱেষণাৰ বিষয়তে কেনেদৰে বিশেষ লক্ষ্য আৰু উদ্দেশ্য জড়িত কৰে। গৱেষণা আৰ্হিয়ে সেইবাবে গৱেষণাৰ পদ্ধতিৰ গুণগতীয় পৰিকল্পনা গ্ৰহণ কৰি তাৰ দ্বাৰা তথ্য সংগ্ৰহ আৰু তথ্য বিশ্লেষণৰ কৌশল প্ৰস্তুত কৰে, গতে এই পথেৰে গৱেষণাৰ উদ্দেশ্যতো উপনীত হ'বৰ প্ৰচেষ্টা চলায়। গৱেষণা আৰ্হিয়ে, সেয়েহে গৱেষণা ফলাফলত এক বিশেষ তাৎপৰ্য বহন কৰে আৰু গৱেষণা কাৰ্যৰ বুনিয়দী আধাৰ ৰচনা কৰে। অট্টালিকা এটাৰ নিৰ্মাণত স্থাপত্য আৰ্হিৰ বা ৰূপৰেখাৰ প্ৰয়োজন যাতে আমি আমাৰ আকাঙ্খিত সৃষ্টি লাভ কৰিব পাৰো, তেনেদৰে গৱেষণা ক্ষেত্ৰতো আমাৰ লক্ষ্যত উপনীত হ'বলৈ আমাক এক গৱেষণা আহিৰ প্ৰয়োজন হয় আৰু ই আমাৰ গৱেষণা কাৰ্য্য পৰিচালিত কৰে। গৱেষণা আৰ্হিয়ে গৱেষণাৰ বিভিন্ন দিশ যেনে— ইয়াৰ উদ্দেশ্য, গৱেষণাৰ বাবে তথ্য সংগ্ৰহ আৰু বিশ্লেষণ আদিৰ ওপৰত পুংখানুপুংখ ৰূপৰেখা আগবঢ়ায়। ই কোনো বিশেষ গৱেষণাৰ উদ্দেশ্য ব্যাখ্যা কৰাত ক্ষান্ত নাথাকি এই উদ্দেশ্যত উপনীত হোৱাৰ পথও বৰ্ণনা কৰে। সেয়েহে, ইয়াক গৱেষণা প্ৰকল্প এটাৰ প্ৰধান পৰিকল্পনা হিচাপে স্বীকৃতি দিয়া হয়। গৱেষণাৰ প্ৰকৃত প্ৰক্ৰিয়া বা তথ্য সংগ্ৰহৰ আগতেই আমাৰ হাতত গৱেষণা আৰ্হি থকাটো প্ৰয়োজন আৰু ই আমাক তথ্য সংগ্ৰহ আৰু ইয়াৰ সঠিক বিশ্লেষণত পথ প্ৰদৰ্শকৰ ভূমিকা লয়। সমাজ বিজ্ঞানৰ গৱেষণাত সেয়েহে প্ৰথম পৰ্যায়তে গৱেষণা আৰ্হি প্ৰস্তুত এক অত্যাৱশ্যকীয় পদক্ষেপ।

গৱেষণা আৰ্হিয়ে প্ৰধানকৈ অন্তৰ্ভুক্ত কৰে—

- গৱেষণাৰ বিষয় কি হ'ব?
- এই অধ্যয়ণ বা গৱেষণা কিয় কৰা হৈছে?
- ইয়াৰ বাবে কেনেকুৱাধৰণৰ তথ্য প্ৰয়োজন?
- তথ্যৰ বাবে প্ৰয়োজনীয় তথ্য ক'ৰ পৰা পোৱা যাব?
- অধ্যয়নৰ বাবে কিমান সময়ৰ প্ৰয়োজন হ'ব?
- ইয়াৰ বাবে নমুনা আৰ্হি (Sample Design) কি হ'ব?
- তথ্য সংগ্ৰহত কি পদ্ধতিৰ কাৰিকৰী কৌশল ব্যৱহৃত হ'ব?
- তথ্যসমূহ কেনেদৰে বিশ্লেষণ কৰা হ'ব?
- কি পদ্ধতি বা শৈলীত গৱেষণা বিৱৰণ প্ৰস্তুত কৰা হ'ব?

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে, গৱেষণা আৰ্হিয়ে প্ৰধানকৈ গঠন কৰে—

- **সমস্যা বা বিষয়ৰ বিবৃতি ঃ**
  এই বিবৃতিৰ জৰিয়তে গৱেষকে গৱেষিত বিষয় বা সমস্যাসম্বন্ধে বহলাই ব্যাখ্যা কৰে আৰু এই বিষয় অধ্যয়নৰ কাৰণ ও ব্যাখ্যা কৰে।
- **সাহিত্যৰ পৰ্যালোচনা ঃ**
  গৱেষকে এই গৱেষণা আৰ্হিতেই তেওঁৰ পৰৱৰ্তী পৰ্যায়ৰ গৱেষণাত ব্যৱহৃত হ'বলগীয়া সাহিত্য সমূহ পৰ্যালোচনা কৰি লয়।
- **গৱেষণা প্ৰশ্নাৱলী ঃ**
  প্ৰাসঙ্গিক ভাষাৰ পৰ্যালোচনাৰ পিছত, গৱেষকে গৱেষণা প্ৰশ্নাৱলী প্ৰস্তুত কৰে আৰু গৱেষণাৰ মাধ্যমেৰে এই প্ৰশ্নসমূহৰ উত্তৰণ সন্ধান কৰে। গৱেষকে গৱেষণাৰ বাবে এই প্ৰশ্নসমূহ স্পষ্টভাৱে নিৰ্দেশিত কৰি গৱেষণা আৰ্হিৰ মাজেৰে প্ৰকাশ কৰিব লাগে।
- **গৱেষণাৰ উদ্দেশ্য ঃ**
  গৱেষকে তেওঁৰ প্ৰশ্নসমূহৰ জৰিয়তে গৱেষণাৰ উদ্দেশ্য প্ৰকাশ কৰে।
- **তথ্য সংগ্ৰহৰ পদ্ধতি আৰু কৌশল ঃ**
  গৱেষণাৰ বাবে কেনেধৰণৰ তথ্যৰ প্ৰয়োজন হব সেই বিষয়ে গৱেষকে ব্যাখ্যা কৰা উচিত। তেনেদৰে তথ্য সংগ্ৰহৰ কৌশল সম্বন্ধেও ব্যাখ্যা কৰা প্ৰয়োজন।
- **জনসংখ্যাৰ বিৱৰণ ঃ**
  জনসংখ্যাৰ যি ভাগৰ ওপৰত বা যাৰ ওপৰত গৱেষণা কৰা হয়, সেইসকল লোকৰ বিষয়ে গৱেষকগৰাকীয়ে বৰ্ণনা কৰা উচিত।
- **তথ্যৰ প্ৰক্ৰিয়াকৰণ (Processing) আৰু বিশ্লেষণ পদ্ধতি ঃ**
  পৰিসংখ্যাৰ বিশ্লেষণ পদ্ধতিৰ বৰ্ণনাৰ প্ৰয়োজন।

৪.৪ গৱেষণা আৰ্হিৰ প্ৰয়োজন আৰু গুৰুত্ব

ওপৰৰ আলোচনাৰ পৰা আমি জানিব পাৰিলো যে, গৱেষণা আৰ্হি হ'ল গৱেষণাৰ দিক্ নিৰ্ণায়ক স্বৰূপ। সেয়েহে ইয়াক আমি এক বহল ভিত্তিৰ পৰিকল্পনা বুলিব পাৰো। এক নিৰ্দিষ্ট গৱেষণাৰ বাবে প্ৰয়োজনীয় প্ৰায় সকলোখিনি উপাদান এই আৰ্হিয়ে পৰিৱেষ্টিত কৰে (Eacompass)। যিহেতু গৱেষণাৰ পূৰ্বেই প্ৰস্তুত কৰা গৱেষণা আৰ্হিয়ে গৱেষণা কাৰ্যত প্ৰয়োজনীয় পথ দেখুৱায়, সেয়েহে গৱেষণাৰ বাবে ই অপৰিবাৰ্য্য। গৱেষণা আৰ্হিৰ প্ৰয়োজনীয়তা বহলাই আলোচনা কৰো আহক—

কোনো এখন অচিনাকী ঠাইত ফুৰিবলৈ হলে, যিহেতু আমাৰ সেই ঠাইৰ সম্বন্ধে পূৰ্ব অভিজ্ঞতা নাই, সেয়েহে আমি মানচিত্ৰ বা স্থানীয় গাইডৰ সহায় লওঁ। মানচিত্ৰ বা পথ প্ৰদৰ্শক

(গাইড)ৰ সহায় নল'লে আমি পথ হেৰুওৱাৰ বা ঠাইখনৰ ভৌগোলিত অৱস্থান সম্বন্ধে ভুল ধাৰণাৰ আশ্রয় লোৱাৰ সম্ভাৱনীয়তা প্রকট হৈ পৰে। গৱেষণা আৰ্হিৰ ক্ষেত্রতো একে কথাই প্রযোজ্য। গৱেষণা আৰ্হিৰ প্রয়োজনীয়তা এনে যে ই গৱেষক সকলক তেওঁলোকৰ গৱেষণা পথত আগবাঢ়িবলৈ বিভিন্ন সহায়কাৰী উপাদানেৰে পথ-প্রদর্শক ভূমিকা গ্রহণ কৰে। গৱেষকগৰাকীয়ে কিদৰে পৰিসংখ্যা সংগ্রহ কৰা উচিত, কেনেকুৱা পৰিসংখ্যা গৱেষণাটোৰ বাবে প্রযোজ্য, তথ্য সংগ্রহৰ পিছত ইয়াৰ ব্যৱহাৰ আদি বিভিন্ন দিশ গৱেষণা আৰ্হিয়ে নির্দেশ কৰে। গৱেষণা পথ বা প্রকল্পৰ সঠিক পদ্ধতি নির্দেশৰ দ্বাৰা ই গৱেষকগৰাকীক সঠিক, শুদ্ধ গৱেষণাৰ পথ দেখুৱাই আৰু সময়, অর্থৰ অপব্যয় নকৰাকৈ গৱেষণাৰ দ্বাৰা তথ্য সংগ্রহ কৰিবলৈ সক্ষম হয়। গৱেষকগৰাকীয়ে যদি গৱেষণা কার্যৰ আগতে গৱেষণা আৰ্হি প্রস্তুত নকৰে, তেওঁ ভুলপথে গৱেষণা কার্যক পৰিচালিত কৰাৰ সম্ভাৱনা থাকে। এইক্ষেত্রত গৱেষকগৰাকীয়ে পূর্ব-কবি- কল্পনাৰ অভাৱত সু-পৰিকল্পিত তথা এক ব্যৱস্থাপিত (Systematic) পথ গ্রহণ আৰু তথ্য সংগ্রহৰ ক্ষেত্রত অযথা সময়ৰ অপব্যৱহাৰ হ'ব পাৰে, কিয়নো সেই বিশেষ গৱেষণাৰ বাবে প্রয়োজনীয় নির্দিষ্ট তথ্য সম্বন্ধে তেওঁৰ শুদ্ধ ধাৰণা নাথাকিব পাৰে। এই পদ্ধতিত তেওঁ অযথা সময় আৰু টকা-পইচাৰ ব্যয় কৰে আৰু গৱেষণা ফলাফলও নিৰুৎসাহজনক হয়। সেয়েহে গৱেষণা কার্য আৰম্ভ কৰাৰ পূর্বে গৱেষণা আৰ্হি প্রস্তুত কৰা অতি আৱশ্যক। আমি জানো যে অট্টালিকা এটা পূর্বে স্থাপত্য আৰ্হি বা ৰূপৰেখা অবিহনে নির্মাণ কৰা নহয়, তেনেদৰে এক সঠিক ফলপ্রসু গৱেষণাৰ বাবে পূর্বতে গৱেষণা আৰ্হি প্রস্তুত কৰা প্রয়োজন।


তদুপৰি, গৱেষণা আৰ্হিৰ অভাৱত গৱেষকে তেওঁৰ মূল উদ্দেশ্য পূৰণত ব্যর্থ হ'ব পাৰে। গৱেষণাৰ পৰিণাম বা সিদ্ধান্তও (Conclusion) বহুসময়ত গৱেষণা আৰ্হিৰ অভাৱত বিভ্রান্তিকৰ হ'ব পাৰে। গৱেষক এগৰাকীয়ে সেয়েহে গৱেষণাৰ সকলো ত্রুটী আতৰাবলৈ সাৱধানতাৰে গৱেষণা আৰ্হি প্রস্তুত কৰিব লাগে। গৱেষণাৰ আৰ্হি এনেভাৱে প্রস্তুত কৰোতে গৱেষকগৰাকীয়ে লক্ষ্য ৰাখিব লাগে যাতে ই গৱেষণাৰ পদ্ধতি আৰু তথ্য সংগ্রহ পদ্ধতি সহজ-সৰল আৰু বিজ্ঞানসন্মত কৰি তোলে। ব্যৱহাৰিক আৰু চিন্তাশীল গৱেষণা আৰ্হিয়ে গৱেষকগৰাকীৰ কার্যপদ্ধতিৰ অস্পষ্টতা দূৰ কৰে।

গৱেষণা আৰ্হিৰ দ্বাৰা গৱেষকগৰাকীয়ে তেওঁৰ ধাৰণাক সংগঠিত কৰাৰ সুবিধা পায় আৰু তেওঁৰ কার্য ত্রুটি আৰু অপূর্ণতাখিনি ইয়াৰ দ্বাৰা দূৰ কৰিব পাৰে। যিহেতু, গৱেষণা আৰ্হিৰ দ্বাৰা গৱেষকগৰাকীয়ে তেওঁৰ ধাৰণাক প্রণালীবদ্ধভাৱে সংস্থাপিত কৰিব পাৰে আৰু গৱেষণা প্রকল্পৰ সমগ্র কার্য প্রণালীৰ ৰূপৰেখা নির্ধাৰণ কৰিব পাৰে। এনে ক্ষেত্রত গৱেষণাত দেখা দিয়া সকলো ধৰণৰ ভুলৰ চিনাক্তকৰণ আৰু তাৰ শুধৰণীকৰণ সহজ হৈ পৰে। সেয়েহে গৱেষণা আৰ্হিয়ে গৱেষকগৰাকীক অকল শুদ্ধ পথ নির্দেশনাতে আৱদ্ধ নাৰাখি, গৱেষণাত দেখা দিয়া আকস্মিক ভুলৰ শুধৰণি ও সম্ভৱ কৰে। ফলত এই ভুল সমূহে গৱেষণাৰ ফলাফল বা সিদ্ধান্তক বিপথে পৰিচালিত কৰাৰ সম্ভাৱনাও নাথাকে। সেয়েহে গৱেষণাৰ পূর্বে এক সঠিক আৰু কার্যক্ষম আৰ্হিৰ অতীৱ প্রয়োজন।

গৱেষণা আৰ্হিৰ আন এক উল্লেখনীয় দিশ হ'ল যে, ই গৱেষণা প্ৰস্তুতৰ প্ৰণালীবদ্ধ দিশ গ্ৰহণৰ ও শিক্ষা দান কৰে। গৱেষণাৰ আৰ্হিৰ জৰিয়তে পৰ্যালোচনা, মন্তব্য আৰু পৰামৰ্শ আগবঢ়োৱা সহজ হৈ পৰে আৰু ই গৱেষকসকলৰ বাবে বিশেষ সহায়ক। গৱেষকসকলে তেওঁলোকৰ শিক্ষকসকলৰ পৰা, বিশেষজ্ঞসকলৰ পৰা বা বন্ধুবৰ্গৰ পৰা পোৱা মন্তব্য, উপাদান আৰু সহযোগিতাই গৱেষণা কাৰ্যত সহায় কৰে। গৱেষকগৰাকীয়ে ইয়াৰ দ্বাৰা তেওঁৰ ভুলসমূহ অনুধাৱন কৰিব পাৰে আৰু ইয়াৰ শুধৰণি কৰিব পাৰে। গৱেষণা আৰ্হিৰ অবিহনে পৰ্যবেক্ষক বা সমালোচকসকলৰ প্ৰস্তাৱিত অধ্যয়নৰ (গৱেষণাৰ) বিষয়ত পৰ্যাপ্ত আলোচনা সম্ভৱপৰ নহয়।

ওপৰোক্ত অধ্যয়নৰ পৰা এইটো প্ৰতীয়মান হয় যে গৱেষণা আৰ্হি সুদক্ষ গৱেশণা কাৰ্যৰ বাবে অপৰিহাৰ্য্য আৰু ই এক বিজ্ঞানসন্মত, প্ৰণালীগত পথ নিৰ্দেশনা কৰে। ইয়াৰ গুৰুত্ব থূল-মূলকৈ তলত উল্লেখ কৰা হ'ল—

- গৱেষণা আৰ্হি হ'ল এক মানচিত্ৰ সদৃশ। ই অধ্যয়নৰ দিশ নিৰ্দেশ কৰে। ই গৱেষকক শুদ্ধ পথ গ্ৰহণৰ মাজেৰে কাৰ্য্য সম্পাদনাত সহায় কৰে আৰু গৱেষণাক দিক্‌বিহীন আৰু লক্ষ্যহীন গৱেষণামূলক বিভ্ৰান্তিৰ পৰা ৰক্ষা কৰে।
- গৱেষণা আৰ্হিৰ নিৰ্দ্দপনে গৱেষণাৰ অনিশ্চয়তা, অস্পষ্টতা, বিভ্ৰান্তি আৰু ব্যৱহাৰিক অস্থিৰতা বা সঙ্গতিহীনতা দূৰ কৰে।
- ই গৱেষকক পৰিসংখ্যা সংগ্ৰহৰ বিজ্ঞানসন্মত আৰু প্ৰণালীগত দিশৰ লগতে বিশ্লেষণৰ ও উন্নত দিশ গ্ৰহণত সহায় কৰে।
- গৱেষণা আৰ্হিয়ে গৱেষক এগৰাকীক সঙ্গতি আৰু অসঙ্গতিযুক্ত পৰিসংখ্যাৰ মাজত প্ৰভেদ নিৰ্ণয় আৰু পৃথকীকৰণ কৰিবলৈ সক্ষন কৰে।
- কিছু ক্ষেত্ৰত এই আৰ্হিয়ে আকাঙ্খিত শুদ্ধতা বা সঠিকতাৰ পথত এক মাধ্যম হিচাপে কাৰ্য কৰে।
- গৱেষণাৰ যথাৰ্থহীনতা ৰোধ কৰি ইয়াৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰে।
- গৱেষণা আৰ্হিয়ে সময় আৰু অৰ্থৰ অপব্যয় ৰোধ কৰে।
- ই গৱেষণা সম্বন্ধে অন্যক নিৰীক্ষণ কৰাৰ সুযোগ দিয়ে।
- ই পক্ষপাতমূলক আৰু পাৰ্শ্ব (Marginal)ত্ৰুটীসমূহ ৰোধ কৰে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে ভুল নিৰ্ণয়—

(ক) গৱেষণা আৰ্হি, গৱেষণা কাৰ্য্য আৰম্ভ কৰাৰ পাছত সম্পাদন প্ৰস্তুত কৰা হয়।

.....

.....

.....

(খ) গৱেষণা আৰ্হিয়ে অনিশ্চয়তা আৰু বিভ্ৰান্তি হ্ৰাস কৰে।

.....

.....

.....

প্ৰশ্ন নং ২ ঃ গৱেষণা আৰ্হিক এখন মানচিত্ৰ সদৃশ বোলাৰ কাৰণ কি?

.....

.....

.....

৪.৫ এখন ভাল গৱেষণা আৰ্হিৰ বৈশিষ্ট

গৱেষক এগৰাকীক তেওঁৰ গৱেষণা কাৰ্যত বৈজ্ঞানিকভাৱে কাৰ্য্য সম্পাদন কৰিবলৈ পথ নিৰ্দেশনাৰ ক্ষেত্ৰত গৱেষণা আৰ্হিৰ প্ৰয়োজনীয়তা সম্বন্ধে আমি সকলোৱে জানিব পাৰিলোঁ। এতিয়া আমি এটা ভাল গৱেষণা আৰ্হিৰ বৈশিষ্ট সম্বন্ধে আলোচনা কৰো আহক—

- প্ৰণালীবদ্ধ, বৈজ্ঞানিক ধৰ্মী, সু-নিৰ্দিষ্ট, মিত্যব্যয়ী আৰু নমনীয়তা, এইবোৰ হ'ল এটা ভাল গৱেষণা আৰ্হিৰ বৈশিষ্ট।
- এখন আৰ্হি যিয়ে গৱেষণাৰ বিষয় কি আৰু কেনেকুৱা সেই সম্বন্ধে স্পষ্টতা প্ৰকাশ কৰে, যিয়ে তথ্য সংগ্ৰহৰ ক্ষেত্ৰত আৰু বিশ্লেষণৰ ক্ষেত্ৰত গ্ৰহণযোগ্যতা বৃদ্ধি কৰে আৰু ত্ৰুটী তথা পক্ষপাত হ্ৰাস কৰাৰ ফলত এখন যথাযথ আৰু বৈজ্ঞানিক গৱেষণা আৰ্হিৰ মৰ্যাদা লাভ কৰে।
- এখন ভাল গৱেষণা আৰ্হিৰ বাবে, গৱেষণাৰ সকলো উপাদান সু-সংগতভাৱে, পৰস্পৰৰ লগত সম্বন্ধিত লৈ থকা প্ৰয়োজন। সিদ্ধান্তমূলক আৰু ধাৰণামূলক আধাৰৰ গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত সামঞ্জস্য থাকিব লাগে। সেইদৰে, তথ্য সংগ্ৰহ পদ্ধতি গৱেষণাৰ উদ্দেশ্যৰ লগত নিশ্চয়কৈ সঙ্গতি সম্পন্ন হ'ব লাগিব আৰু ই তথ্য বিশ্লেষণ পদ্ধতিৰ লগত সঙ্গতি ৰাখিব লাগিব।
- যি আৰ্হিয়ে গৱেষক এগৰাকীক সকলোতকৈ অধিক তথ্য সংগ্ৰহ বা তথ্য সংগ্ৰহৰ সুবিধা দিয়ে আৰু সমস্যাক বিভিন্ন দিশৰ পৰা পৰ্যালোচনা কৰিবলৈ সুবিধা দিয়ে, তেনে আৰ্হিকে সবাতোকৈ উপযুক্ত আৰু কাৰ্যক্ষম আৰ্হি বুলি গণ্য কৰা হয়।

সেয়েহে, এটা ভাল গৱেষণা আৰ্হি গৱেষণা বিষয় বা সমস্যাৰ উদ্দেশ্য আৰু লক্ষ্যৰ লগত সম্বন্বিত হয়। ই গৱেষণাৰ বিষয়ৰ প্ৰ..... বা বৈশিষ্টৰ ওপৰত নিৰ্ভৰ কৰে। এখন নিৰ্দিষ্ট আৰ্হি এটা বিশেষ গৱেষণাৰ বাবে উপযুক্ত হ'লেও আন এটা গৱেষণাৰ বাবে উপযুক্ত নহ'বও পাৰে। সকলো ধৰণৰ গৱেষণাৰ বিষয় আৰু উদ্দেশ্যৰ বাবে এখনেই আৰ্হি প্ৰয়োজ্য নহবও পাৰে। কিন্তু এখন ভাল বা আদৰ্শ গৱেষণাৰ আৰ্হিয়ে কিছুমান বিশেষ দিশৰ ওপৰত গুৰুত্ব আৰু সেইবোৰ হ'ল—

- তথ্য সংগ্ৰহৰ আধাৰসমূহ।
- গৱেষক গৰাকীৰ নিজৰ আৰু তেওঁৰ বিষয়ববীয়া বা কৰ্মচাৰীসকলৰ কাৰ্য্য কুশলতা।
- গৱেষণাৰ বিষয়সমূহ অধ্যয়নৰ উদ্দেশ্য।
- গৱেষণাৰ অধ্যয়ন কৰিবলগীয়া বিষয় বা সমস্যাৰ প্ৰকৃতি।
- গৱেষণাৰ বাবে উপলব্ধ সময় আৰু অৰ্থ।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ সঁচা আৰু মিছা নিৰ্ণয়—

(ক) অধিক পক্ষপাত (bias) যুক্ত গৱেষণা আৰ্হিসমূহক ভাল গৱেষণা আৰ্হি বুলি বিবেচনা কৰা হয়।

.....

.....

.....

(খ) এটা মাত্ৰ আৰ্হিয়ে সকলো গৱেষণা সমস্যাৰে উদ্দেশ্য পূৰণৰ কাৰণে ব্যৱহাৰ কৰিব নোৱাৰি।

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ বৰ্ণনামূলক গৱেষণা আৰ্হি কি?

.....

.....

.....



৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- গৱেষণা আৰ্হিয়ে কি তথ্যৰ প্ৰয়োজন হয়, কেনেকুৱা পদ্ধতি ব্যৱহাৰ কৰা উচিত আৰু এই তথ্যসমূহৰ বিশ্লেষণ কেনেকুৱা হোৱা উচিত তাক স্পষ্টভাৱে ব্যক্ত কৰে। এখন বিশেষ গৱেষণা প্ৰকল্পত উদ্ভৱ হোৱা সকলো ধৰণৰ প্ৰশ্নয়ে এই তথ্যসমূহৰ দ্বাৰা কেনেকৈ সমাধান কৰিব পাৰি তাক গৱেষণা আৰ্হিয়ে দেখুৱায়।
- গৱেষণা আৰ্হি সেয়েহে হৈছে গৱেষণামূলক বিষয় এটাৰ বিশ্লেষণত ব্যৱহাৰ হোৱা তথ্য আৰু ইবোৰ বৰ্ণনাৰ বাবে গ্ৰহণ কৰা আগতীয়া পৰিকল্পনা।
- অট্টালিকা এটা নিৰ্মাণৰ আগতে আমি ব্যৱহাৰ কৰা স্থাপত্য আৰ্হিৰ নিচিনাকৈয়ে গৱেষণাৰ ক্ষেত্ৰতো নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ গৱেষণাৰ আগতেই গৱেষণা আৰ্হি ব্যৱহাৰ কৰা হয়।